**PAAL NAAM 2018**

Like previous years the Satra is Organising *Paal Naam* at SriSri Auniati Satra Majuli from 12 Nov 2017 to 16 Nov 2017 for 5 days. All are cordially invited to participate in the great event. The historical importance and significance of *Paal Naam* being celebrated every year over last three hundred years is elaborated in the following article written by Prabhu Iswar Dr. SriSri Pitambar Dev Goswami, Satradhikar, SriSri Auniati Satra:



# পালনাম

ড° শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী

নিবন্ধ

এটা নিৰ্দ্দিষ্ট সময়লৈকে ভগৱানৰ গুণ নাম যি প্ৰণালীবদ্ধ ৰীতিৰে পালে পালে গাই এক অখণ্ডতা ৰক্ষা কৰা হয় সেই নামেই পালনাম। বিবিধ পুৰাণে দিয়া সম্ভেদ অনুসৰি পালনামৰ প্ৰাচীন আৰ্হি বিচাৰি চালে পোৱা যায় সত্যযুগত শিৱই ব্ৰহ্মতত্ত্ব লাভৰ বাবে অবিৰত ভাৱে ব্ৰহ্মমন্ত্ৰ উচ্চাৰণ কৰা যি পদ্ধতি, ব্ৰহ্মাই পাপ মোচনৰ বাবে শিৱৰ সপ্তনাম নমাই আনি একক ভাৱে অখণ্ড চৰ্চা কৰা যি ব্যৱস্থা আৰু তৃতীয়ত কালীয় হ্ৰদত কালী আক্ৰমণৰ পৰা ত্ৰাণ পাবৰ বাবে গোপ গোপীৰ সমন্বিতে বসুদেৱ দৈৱকীয়ে যি কৃষ্ণ মন্ত্ৰ গান কৰিছিল এয়াই পালনাম প্ৰাক্‌আৰ্হি বুলি ধাৰণা কৰিব পাৰি।

সোণৰ নাও। ফটো সংগ্ৰহ ঃ প্ৰদীপ শইকীয়া

পালনাম এদিনৰ পৰা সপ্তাহ পৰ্যন্ত পতাৰ ব্যৱস্থা আছে। এই পালনাম অসমত মহাপুৰুষ শংকৰদেৱৰ দিনতে পোন প্ৰথমে প্ৰচলিত হয়। কোৱা হয় ভূঞাসকলৰ মাজত হাতী ৰখাক কেন্দ্ৰ কৰিয়েই পালনামৰ সৃষ্টি হয়। আহোম ৰাজশাসনত ভূঞাসকলৰ মাজত হাতী ৰখাৰ দায়িত্ব আৰোপ কৰা হৈছিল। হাতীৰ পালন ব্যৱস্থাত ত্ৰুটি ঘটাত ভূঞাসকলৰ মাজৰ পৰা হৰি জোঁৱাই আৰু মাধৱদেৱক ৰাজচ'ৰালৈ ধৰি নিয়া হৈছিল। ৰাজ আজ্ঞা পালনত ব্যৰ্থ হোৱা অপৰাধত তেওঁলোক দুয়োকে বন্দী কৰি থোৱা হ'ল। কিন্তু হৰি জোঁৱাইক মৃত্যুদণ্ড দিলে। সেই সমস্ত বৃত্তান্ত ভূঞাসকলৰ মাজত সদৰি হোৱাত ৰাজৰোষৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু মাধৱদেৱৰ নিৰাপদ মুক্তি

ডিচেম্বৰ।। ২০১৫।। অসমীয়া মায়া।। ৬৯

